# Meeting of EAM and NSA with US Special Representative for Afghanistan Reconciliation

May 07, 2020

# আফগানিস্তানত সমন্বয় সাধনৰ কাৰণে মাৰ্কিন বিশেষ প্ৰতিনিধিৰ সৈতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টাৰ বৈঠক

মে’ 07, 2020

আফগানিস্তানত সমন্বয় সাধনৰ কাৰণে মাৰ্কিন বিশেষ প্ৰতিনিধি শ্ৰী জাল্মে খালিলজাদে আজি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টাক সাক্ষাত কৰে। তেখেতৰ লগত মাৰ্কিন ৰাষ্ট্ৰীয় সুৰক্ষা পৰিষদৰ জ্যেষ্ঠ সঞ্চালক শ্ৰীমতী লিজা কূৰ্টিছ আৰু ভাৰতত থকা আমেৰিকাৰ ৰাষ্ট্ৰদূত শ্ৰী কেন জাষ্টাৰ আছিল।

শ্ৰী খালিলজাদে আফগানিস্তানত মাৰ্কিন শান্তি আৰু সমন্বয় সাধনৰ প্ৰচেষ্টা সম্পৰ্কে আপডেট কৰে। মাৰ্কিন পক্ষই আফগানিস্তানলৈ অৰ্থনৈতিক উন্নয়ন, পুনঃনিৰ্মাণ আৰু মানৱীয় সহায়ত ভাৰতৰ গঠনমূলক অৱদানৰ স্বীকৃতি দিছে। তেওঁলোকে আফগানিস্তানত বহনক্ষম শান্তি, সুৰক্ষা আৰু স্থিতিশীলতাৰ ক্ষেত্ৰত ভাৰতৰ গুৰুত্বপূৰ্ণ আৰু অব্যাহত ভূমিকাক গুৰুত্ব দিয়ে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টাই কাৰণে শান্তি, নিৰাপত্তা, ঐক্যতা, গণতান্ত্ৰিক আৰু সমেত ৰাষ্ট্ৰ শাসন ব্যৱস্থাক শক্তিশালী কৰা আৰু আফগান হিন্দু আৰু শিখসকলৰ সৈতে আফগান সমাজৰ সকলো বৰ্গৰ অধিকাৰৰ সুৰক্ষাৰ কাৰণে ভাৰতৰ অব্যাহত সাহাৰ্যৰ কথা পুনৰ ব্যক্ত কৰে। ভাৰতে বাঢ়ি অহা হিংসাত্মক কাৰ্যকলাপক লৈ গভীৰভাৱে উদ্বিগ্ন আৰু তাতক্ষণিক যুদ্ধ বিৰতি আৰু কৰোনা ভাইৰাছ মহামাৰীৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত আফগানিস্তানৰ লোকসকলক সহায় কৰাটো দৰকাৰ। কৰোনা ভাইৰাছৰ দ্বাৰা উদ্ভৱ হোৱা পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত ভাৰতে খাদ্য সামগ্ৰী আৰু চিকিত্সা সৰঞ্জামৰ দ্বাৰা মানৱীয় সহায় প্ৰদান কাৰ্যত জড়িত হৈ আছে। এই কথাটোত জোৰ দি কয় যে আফগানিস্তানত বহনক্ষম শান্তি আৰু স্থিৰতাৰ কাৰণে সন্ত্ৰাসবাদীৰ সুৰক্ষিত ঠিকনা আৰু শৰণাপন্ন হোৱা স্থানসমূহৰ অৱসান ঘটোৱাটো জৰুৰী।

**নতুন দিল্লী**
**মে’ 07, 2020**

**DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.**